জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৮৮/২০২০

# তিনিচুকীয়াৰ বাঘজানৰ তৈলক্ষেত্ৰত গেছ নিৰ্গত হোৱা সন্দৰ্ভত কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ

## অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অধ্যক্ষক ঘটনাস্থলীলৈ যোৱাৰ নিৰ্দেশ

## অইল ইণ্ডিয়া লিমিটেডৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালকৰ সৈতেও বাৰ্তালাপ কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৯ মে'ঃ** তিনিচুকীয়াৰ বাঘজানৰ তৈলক্ষেত্ৰত গেছ নিৰ্গত হোৱা সন্দৰ্ভত কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি টেলিফোনযোগে বাৰ্তালাপ কৰে। বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে ঘটনা সন্দৰ্ভত সবিশেষ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অৱগত কৰে। এই ঘটনাৰ তাৎক্ষণিকভাৱে প্ৰতিৰোধৰ ব্যৱস্থা ল'বলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই ক্ষেত্ৰত তৎকালীন পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে।

বাঘজানৰ তৈলক্ষেত্ৰত গেছ নিৰ্গত হোৱা এই ঘটনা সন্দৰ্ভত মুখ্যমন্ত্ৰী সোণোৱালে অইল ইণ্ডিয়া লিমিটেডৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক সুশীল চন্দ্ৰ মিশ্ৰৰ সৈতেও টেলিফোনযোগে আলোচনা কৰে। কাষৰীয়া অঞ্চলৰ জনসাধাৰণৰ স্বাস্থ্যৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে যিকোনো অবাঞ্চিত দুৰ্ঘটনা ৰোধ কৰাৰ স্বাৰ্থত প্ৰাকৃতিক গেছৰ এই নিৰ্গমন তৎকালে বন্ধ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰিচালন সঞ্চালকগৰাকীক মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অধ্যক্ষ ৰাই সূৰ্যনাৰায়ণক ঘটনাস্থলীলৈ যোৱাৰ বাবে আজি নিৰ্দেশ দিয়ে। কাইলৈ অইল ইণ্ডিয়া লিমিটেডৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক সুশীল চন্দ্ৰ মিশ্ৰৰ সৈতে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অধ্যক্ষগৰাকী ঘটনাস্থলীলৈ গৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে তৎকালীন পদক্ষেপো গ্ৰহণ কৰিব।

পুঃডেঃ / প্ৰঃকুঃবঃ
২৯/৫/২০২০